# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 25-06-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**-------------------**

00000

১৯৭৫ চনত দেশত জৰুৰী অৱস্থা ঘোষণাৰ ৫০ বছৰ পূৰ্ণ হোৱা দিনটো আজি দেশত সংবিধান হত্যা দিৱস হিচাপে পালন কৰা হৈছে। সেই সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰি সমগ্ৰ দেশতে ৰাজনৈতিক দলৰ নেতা-কৰ্মী, সাংবাদিক, শ্ৰমিক-সংগঠনৰ নেতাকে ধৰি প্ৰায় ডেৰ লাখ লোকক কাৰাৰুদ্ধ আৰু সংবাদ মাধ্যমৰ স্বাধীনতা বিলুপ্ত কৰিছিল। ভাৰতীয় জনতা পাৰ্টী আৰু ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘকে ধৰি ভালেমান সংগঠনে আজি অসমতো সংবিধান হত্যা দিৱসৰ আয়োজন কৰিছে। এই দিৱসত দেশৰ সাংবিধানিক পৰম্পৰা আৰু বাক স্বাধীনতা যাতে কোনোপধ্যেই খৰ্ব নহয়, সেইক্ষেত্ৰত কাম কৰি যাবলৈ সকলো সংকল্পবদ্ধ হয়।

দেশৰ আন অংশৰ লগতে অসমতো আজি সংবিধান হত্যা দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত এই দিৱসত অংশ লৈ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ পাছতো কংগ্ৰেছৰ এই ধৰণৰ মানসিকতাৰ পৰিৱৰ্তন হোৱা নাই আৰু সময়ে সময়ে এই মানসিকতা পৰিলক্ষিত হৈ আহিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে জৰুৰীকালীন অৱস্থাৰ ক'লা অধ্যায় জনসাধাৰণে পাহৰা উচিত নহয় আৰু ভৱিষ্যতে যাতে ইয়াৰ পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এসময়ত সংবিধান হত্যা কৰা পৰিয়ালে পৰিয়ালে আজি সংবিধান ৰক্ষাৰ কথা ক'বলৈ লৈছে। কংগ্ৰেছে এতিয়ালৈকে জৰুৰীকালীন অৱস্থাৰ বাবে ক্ষমা খোজা নাই বুলি তেওঁ উল্লেখ কৰে।

00000

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ কাইলৈ পুৱা সামৰণি পৰিব। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান তথা নিত্য পূজাৰ অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব। মা কামাখ্যাৰ দৰ্শনৰ বাবে দেশী-বিদেশী ভক্তই অপেক্ষা কৰি আছে। কামাখ্যা ধামত আজি চতুৰ্থ দিনাও ভক্তৰ উখল-মাখল পৰিৱেশ অব্যাহত আছে। নীলাচলৰ বুকুলৈ ভক্ত দৰ্শনাৰ্থীৰ সোঁত অব্যাহত আছে। উৎকট গৰমকো নেওচি ভক্তাই পুৱা ৫ বজাৰ পৰাই কামাখ্যা ধামলৈ বুলি ঢাপলি মেলিছে। সাধু-সন্ন্যাসী আৰু দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

00000

শিৱসাগৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদত অ'এনজিচিৰ গেছ্ নিৰ্গমনৰ ঘটনাৰ ১৪ দিনৰ পাছতো অঞ্চলটোৰ ৭৫০ গৰাকী ব্যক্তি এতিয়াও আশ্ৰয় শিবিৰৰ খাদ্যৰ ওপৰত নিৰ্ভৰশীল হৈ আছে। অধিকাংশ পৰিয়ালেই নিজৰ ঘৰলৈ ঘূৰি গৈছে যদিও অঞ্চলটোত জুই জ্বলোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা থকাৰ কাৰণে প্ৰশাসনে তেওঁলোকৰ খাদ্যৰ ব্যৱস্থা কৰিছে। অৱশ্যে ঘটনাস্থলীৰ নিচেই সমীপৰ ৮টা পৰিয়াল এতিয়াও আশ্ৰয় শিবিৰতে আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অ'এনজিচিয়ে আন্তঃৰাষ্ট্ৰীয় কুপ নিয়ন্ত্ৰণ বিশেষজ্ঞৰ সহযোগত কুপ নিয়ন্ত্ৰণ অভিযানত কৌশলগত অগ্ৰগতি লাভ কৰিছে। বিশেষজ্ঞসকলে ৮০ মিটাৰ দৈৰ্ঘ্যৰ বুম সম্পন্ন দুশ টনৰ ক্ৰেন এখন স্থাপন কৰিবলৈ সমৰ্থ হৈছে। কুপ কেপিং অৰ্থাৎ তৈলখাদটো স্থায়ীভাৱে বন্ধ কৰাৰ ক্ষেত্ৰত এয়া গুৰুত্বপূৰ্ণ অগ্ৰগতি হিচাপে বিবেচিত হৈছে। তৈলখাদটোত হোৱা গেছ্ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে।

ooooo

অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মাজুলীৰ অফলামুখ-নিমাতী ফেৰী সেৱা অনিৰ্দিষ্ট কাললৈ বন্ধ ঘোষণা কৰিছে। যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। পুৱা তিনিখন ফেৰী অফলামুখ ঘাটৰ পৰা নিমাতীলৈ গৈছিল যদিও ১০ বজাৰ পাছৰ পৰা সকলো ফেৰী সেৱা বন্ধ কৰি দিয়া হৈছে। অৱশ্যে নিমাতী-কমলাবাৰী ঘাটৰ ফেৰী সেৱা অব্যাহত আছে।

ooooo

ধেমাজি জিলাৰ আৰক্ষী বিভাগৰ সৌজন্যত আজি জিলাখনত **সমাজত বাল্য বিবাহৰ প্ৰভাৱ আৰু প্ৰতিকাৰ** শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয় চৌহদত অনুষ্ঠিত এই সভাত সামাজিক ব্যাধিস্বৰূপ বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰা হয়। ধেমাজি জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত আৰক্ষী অধীক্ষক, চক্ৰ বিষয়া, শিশু সুৰক্ষা বিষয়া প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থকা এই সভাত স্থানীয় দল-সংগঠনৰ কৰ্মী আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়।

ooooo

গোলাঘাট জিলাৰ মৰঙি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত আজি অংগনৱাড়ী কৰ্মীসকলৰ মাজত মোবাইল ফোন বিতৰণ কৰা হয়। এই কাৰ্যসূচীত খুমটাই বিধানসভা সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াৰ লগতে উন্নয়ন প্ৰকল্পটোৰ বিষয়া-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

ooooo

সমাপ্ত